# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 08-06-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

অসম বিধানসভাৰ কাইলৈ এদিনীয়া বিশেষ অধিবেশন অনুষ্ঠিত হ'ব। অধিবেশনত ডিব্ৰুগড় বিমান বন্দৰৰ নাম ড° ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ সন্দৰ্ভত সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। এই অধিবেশনতে ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন সন্দৰ্ভত প্ৰস্তাৱ গ্ৰহণৰো সম্ভাৱনা আছে।

০০০০

বিটিআৰত নতুনকৈ ৮১ খন গাঁও অন্তৰ্ভুক্ত হ'ব। ইয়াৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় প্ৰস্তুতি চলাইছে। চৰকাৰে জাৰি কৰা অধিসূচনা অনুসৰি বিশ্বনাথ, শোণিতপুৰ, দৰং আৰু নলবাৰী জিলাৰ ৮১ খন গাঁও বিটিআৰত অন্তৰ্ভুক্ত হ'ব। বিটিআৰত নতুনকৈ অন্তৰ্ভুক্ত কৰিবলগীয়া গাঁওসমূহৰ খচৰা তালিকা প্ৰকাশ কৰা হৈছে। এই তালিকা সন্দৰ্ভত দল-সংগঠন অথবা ব্যক্তিৰ কোনো আপত্তি, মতামত অথবা দিহা-পৰামৰ্শ থাকিলে ১৩ জুনৰ ভিতৰত সংশ্লিষ্ট জিলাৰ আয়ুক্তৰ ওচৰত দাখিল কৰিব পাৰিব। জিলা আয়ুক্তসকলে এনে আপত্তি আৰু মতামতত ভিত্তি কৰি তেওঁলোকৰ পৰামৰ্শ তথা মন্তব্য সম্বলিত প্ৰতিবেদন ১৬ জুনৰ ভিতৰত চৰকাৰক জমা দিব লাগিব। ০

০০০০

কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰে ১১ বছৰ সম্পূৰ্ণ কৰিবলৈ ওলাইছে। এন ডি এ চৰকাৰৰ এখন উল্লেখযোগ্য ধ্বজাবাহী আঁচনি হৈছে প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনি। অসমত এই আঁচনিখনৰ ৰূপায়ণৰ অগ্ৰগতি সম্পৰ্কে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ নতুন আৰু পুনৰ ব্যৱহাৰযোগ্য শক্তি বিভাগৰ মুখ্য প্ৰবন্ধক বিজয় শংকৰ বৰুৱাৰ সৈতে আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ এটা কথোপকথন প্ৰচাৰ কৰা হ'ব।

০০০০

ৰাজ্যৰ বান পৰিস্থিতি উন্নত হৈছে যদিও ১২ খন জিলাৰ ৩ লাখ ৩০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে।  কামৰূপ মহানগৰ জিলাত কালি ভূমিস্খলনত দুজন লোকে প্ৰাণ হেৰুৱায়। ইয়াকে লৈ এইবাৰ ৰাজ্যৰ প্ৰথম বান আৰু ভূমিস্খলনত বৰ্তমানলৈকে মৃত্যু হোৱা লোকৰ সংখ্যা ২৩ লৈ বৃদ্ধি হ'ল। এইবাৰ বানত ৰাজ্যখনৰ এহেজাৰৰো অধিক গাঁও আৰু প্ৰায় এহেজাৰ ২৫০ হেক্টৰ কৃষিভূমিৰ ক্ষতি হৈছে। ৰাজ্য চৰকাৰে প্লাৱিত অঞ্চলসমূহত উদ্ধাৰ অভিযানত ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীক নিয়োগ কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি এতিয়াও ৩৬ হাজাৰতকৈ অধিক লোকে ১৩৩ টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে। পৰিস্থিতি উন্নত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰী সেৱা আজি পুনৰ আৰম্ভ কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ জলস্তৰ হ্ৰাস পোৱাৰ প্ৰতি লক্ষ্য ৰাখি আভ্যন্তৰীণ জল পৰিবহণ বিভাগে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যৰ কেইবাখনো জিলাত বৰষুণ কম হোৱাত ঘাই ঘাই নৈসমূহৰ জলপৃষ্ঠ হ্ৰাস পাইছে।

০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ বালিজানত ব্ৰহ্মপুত্ৰৰ খহনীয়া অব্যাহত আছে। ব্ৰহ্মপুত্ৰত জিঅ' বেগৰ মথাউৰিৰ এটা অংশ উটি যোৱাত নৈপৰীয়া লোকসকল আতংকিত হৈ পৰিছে। স্থানীয় লোকসকলে সংশ্লিষ্ট কৰ্তৃপক্ষক শীঘ্ৰে খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

০০০০

শাসনাধিস্থ এন ডি এ মৰ্চাই অহা ১৯ জুনত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ অসমৰ দুখন আসনৰ বাবে প্ৰাৰ্থী নাম চূড়ান্ত কৰিছে। বিজেপিয়ে কনাড পুৰকায়স্থ আৰু অগপই পুনৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। অগপৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক পোনাকন বৰুৱাই কালি বৈশ্যৰ নাম আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। ইপিনে বিজেপিৰ ৰাষ্ট্ৰীয় মহাসচিব অৰুণ কুমাৰ সিনহাই প্ৰদেশ বিজেপিৰ জ্যেষ্ঠ নেতা কনাড পুৰকায়স্থৰ নাম আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। ৰাজ্যসভা নিৰ্বাচনৰ মনোনয়ন দাখিলৰ কাইলৈ অন্তিম দিন। উল্লেখযোগ্য যে বৰ্তমানৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছন ৰঞ্জন দাসৰ কাৰ্যকাল ১৪ জুনত অন্ত পৰিব।

০০০০

ৰাজ্যত এহেজাৰ ১০০ জন লোক মেলেৰিয়াত আক্ৰান্ত হোৱাৰ লগতে এই ৰোগৰ ফলত তিনিজন লোকৰ মৃত্যু হৈছে। স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে বি টি আৰৰ পাঁচখন জিলাত মেলেৰিয়াৰ সংক্ৰমণ সৰ্বাধিক। ৰাষ্ট্ৰীয় বাহকজনিত ৰোগ নিয়ন্ত্ৰণ আঁচনিৰ ৰাজ্যিক কাৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এপ্ৰিলৰ মাজভাগৰ পৰা বৰষুণ অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত মে'মাহৰ শেষ ভাগৰ পৰা ৰাজ্যৰ কেইবাখনো জিলাত মেলেৰিয়াৰ সংক্ৰণ বৃদ্ধি পায়। কোকৰাঝাৰ জিলাত সৰ্বাধিক ৮০২ জন লোক এই ৰোগত আক্ৰান্ত হৈছে আৰু ইয়াৰে দুজনৰ মৃত্যু হৈছে। চিৰাং জিলাত ২৬২ জন লোক মেলেৰিয়াত আক্ৰান্ত হৈছে। বাক্সাত ১০ জন আৰু ওদালগুৰি জিলাত ১২ জন লোক এই ৰোগত আক্ৰান্ত হৈছে। ইপিনে তামুলপুৰ জিলাত মেলেৰিয়াত আক্ৰান্ত হৈ এজন লোকৰ মৃত্যু হৈছে। স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে জুন মাহত মেলেৰিয়াৰ প্ৰাদুৰ্ভাৱ সৰ্বাধিক হয় আৰু ই জুলাইলৈকে থাকে। স্বাস্থ্য বিভাগে এই ৰোগ নিয়ন্ত্ৰণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০

গোৱালপাৰা জিলাৰ বাদুংডুপ্পা কলা কেন্দ্ৰৰ প্ৰতিষ্ঠাপক বিশিষ্ট নাট্যকৰ্মী শুক্ৰাচাৰ্য ৰাভাৰ সপ্তম মৃত্যু বাৰ্ষিকীত আজি কলাকেন্দ্ৰৰ বাকৰিত দিনজোৰা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আজি পুৱাই শুক্ৰাচাৰ্য ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি নাট্যকৰ্মীগৰাকীৰ সহধৰ্মীনি চিনা ৰাভাই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানৰ অংশ হিচাপে ৰাভা জনগোষ্ঠীৰ ফাৰকান্তি নৃত্য আৰু নাম-কীৰ্তনৰ আয়োজন কৰা হৈছে। বিয়লি টো-পয়দম নামৰ ৰাভা ভাষাৰ এখন নাটক পৰিৱেশনেৰে নাট্য কৰ্মীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

.....................................